**2017**

# ASSAMESE

## ( Modern Indian Language )

**( Asamiya Gadya )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) শঙ্কৰদেৱৰ জীয়েকৰ নাম কি আছিল?

(খ) 'নগএগা দ্ৰোহী লোকৰ চৰিত্ৰ বৰ্ণন' প্ৰবন্ধটি প্ৰথমে কোনখন সংবাদপত্ৰত প্ৰকাশ পাইছিল?

(গ) 'সংক্ষেপে কৃষ্ণ-লীলা'ৰ কথাখিনিৰ বক্তা কোন?

(ঘ) 'এক দম্‌চে নিকাল কৰি দিবলৈ'—এই কথাষাৰি তোমাৰ পাঠ্যক্ৰমৰ কোনটো প্ৰবন্ধত উল্লেখ আছে?

(ঙ) 'নামঘোষা' গ্ৰন্থখন মাধৱদেৱে জীৱনৰ কোনখিনি সময়ত ৰচনা কৰে?

(চ) মণিৰাম দেৱানৰ ফাঁচীৰ ৰায় দিয়া ব্ৰিটিছ বিচাৰপতিগৰাকীৰ নাম কি আছিল?

(ছ) 'অমিয়া' শব্দটোৰ অৰ্থ কি?

২। চমু টোকা লিখা : ২×৪=৮

(ক) নিধি লিবাই ফাৰোৰেল

(খ) 'নামঘোষা'ৰ ভক্তিৰস

(গ) লম্বোদৰ বৰা

(ঘ) অৰুণোদই

৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) "তথাপি আৰু শ্ৰৱণ-কীৰ্ত্তন কৰিলে মহাফল সিজে। যেন ঘটত উদ্ধৰা গঙ্গা-জলেও সৰ্ব পাপ হৰে, তেমনে মোৰ বাক্য-ঘটত উদ্ধৃত কৃষ্ণকথায়ে সৰ্ব কাৰ্য্য সিজিব। হেন জানি আৰু আদৰে শ্ৰৱণ-কীৰ্ত্তন কৰা।"

(খ) "কিমতে ভকতি কৰিব তোমাত হৰি এ
মই মূঢ়মতি নজানো তাৰ উপাই ৰাম ৰাম।"

(গ) "তোমালোকে ইংৰাজীৰ হিলৈ বৰটোপলৈ কিয় ভয় কৰিছাহঁক? মম বৰুণৰ বাণেৰে ইংৰাজীৰ হিলৈ বৰটোপ আটাইবোৰকে কলা কৰি পেলাম; আৰু বৰটোপৰ গুলিবোৰকো মম কোঁচ পাতি লম।"

(ঘ) "পৃথিৱী এখন বন্দীশাল আৰু জীৱনটো কেৱল শাস্তি।"

(ঙ) "বাৎসল্য ৰসৰ উদয়াচলত আবিৰ্ভূত হৈ দাস্য ভাৱৰ অস্তাচলত মাধৱদেৱৰ সাহিত্যপ্ৰতিভা মাৰ গৈছে।"





৪। (ক) মণিৰাম দেৱানক ফাঁচী দিয়াৰ সময়ত চাৰিওফালে কেনে কৰুণ পৰিৱেশৰ সৃষ্টি হৈছিল তাৰ এটি বৰ্ণনা দিয়া। ১০

*অথবা*

(খ) সাহিত্যৰ লগত জীৱনৰ সম্পৰ্ক কেনেধৰণৰ মহেশ্বৰ নেওগৰ 'সাহিত্যৰ সাধনা : আৰ্ট আৰু ৰুচি' প্ৰবন্ধটোৰ যোগেদি বিচাৰ কৰা।

৫। (ক) মাধৱদেৱ বিৰচিত 'নামঘোষা'ত ভক্তিৰ মাহাত্ম্য আৰু মাধৱদেৱৰ আত্মলঘিমা কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) 'জীৱনৰ অমিয়া' পাঠটিৰ যোগেদি মানবজীৱনৰ কোনবোৰ কথাৰ ওপৰত লেখকে গুৰুত্ব দিছে, আলোচনা কৰা।

৬। (ক) 'সদানন্দৰ কলাঘুমটি' পাঠটিৰ যোগেদি লম্বোদৰ বৰাদেৱে অসমীয়া মানুহৰ নেতিবাচক দিশবোৰ কেনেদৰে উদঙাই দিছে, বিচাৰ কৰা। ১০

*অথবা*

(খ) 'গুৰু-শিষ্যৰ মণি-কাঞ্চন সংযোগ' পাঠটিত শঙ্কৰদেৱৰ পৰিয়ালৰ লগত মাধৱদেৱৰ সম্পৰ্কৰ চিত্ৰ কেনেদৰে অঙ্কন কৰা হৈছে তাৰ এটি বিৱৰণ দিয়া।

★★★